# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 27-SEP-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লুকআউট ন'টিছ জাৰি কৰিছে। দুয়োগৰাকী অভিযুক্তই কোনো কাৰণতে যাতে ভাৰত এৰি যাব নোৱাৰে তাৰ বাবে ইণ্টাৰপলৰ জৰিয়তে অসম আৰক্ষীয়ে এই জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত যথেষ্ট আগবঢ়া বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে ছিংগাপুৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতৰ জৰিয়তে ৮ জন প্ৰবাসী অসমীয়ালৈও জাননী জাৰি কৰিছে। অহা ৬ অক্টোবৰৰ ভিতৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আটাইকেইজনকে চি আই ডিৰ ওপৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়-

**বাইট (চি এম)**

কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি জুবিন গাৰ্গৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। তেওঁ জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গৰ সৈতেও মত বিনিময় কৰে। চি আৰ পি এফৰ সঞ্চালক প্ৰধান জি পি সিঙেও শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনায়।

ইপিনে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আজি উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হয়। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সময়ত ছিংগাপুৰতে থকা এই তিনিওগৰাকীকে এছ আই টিয়ে সোধা-পোছাৰ বাবে হাজিৰ হ'বলৈ চমন জাৰি কৰিছিল। কালিও শ্যামকানু মহন্তৰ মাডাৰ টেৰেছা ৰোডৰ কাৰ্বি পথত থকা বাসগৃহত তদন্তকাৰী গোটে অভিযান চলায়। বিশেষ তদন্তকাৰী গোটৰ নেতৃত্বত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ ৩০ জনীয়া এটা দলে বাসগৃহৰ প্ৰতিটো কোঠাত অভিযান চলাই বিভিন্ন তথ্যৰ অনুসন্ধান কৰে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দল-সংগঠনসমূহে ভালেমান কাৰ্যসূচী ৰূপায়ণ কৰিছে। ধুবুৰী জিলাৰ বিলাসীপাৰাত আজি অৰণ্য সুৰক্ষা সমিতি অসমে তুলসী পুলি ৰোপণেৰে এই অভিযান আৰম্ভ কৰিছে। সমিতিৰ বিভিন্ন শাখাৰ জৰিয়তে ধুবুৰীৰ পৰা চৰাইদেউ জিলালৈকে গছপুলি ৰোপণৰ পৰিকল্পনা কৰা হৈছে। আজি এই কাৰ্যসূচীত ভালেসংখ্যক লোকে অংশ লয়।

ooooo

শাৰদীয় দুৰ্গা পূজাৰ কাইলৈ ষষ্ঠী। বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে কাইলৈ এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অৱশ্যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যখনত শাৰদীয় পূৰ্বৰ সেই উছাহ নাই। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্য শোকাছন্ন হৈ থকাৰ বাবে বজাৰতো ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হোৱা নাই। জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গতিনাশিনী দুৰ্গাৰ আশীষ বিচাৰি আৰাধনা কৰিবলৈ সাজু

হৈছে। ইতিহাসপ্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে দিয়া বাৰ্তাত দেৱীৰ আশীৰ্বাদত জনসাধাৰণৰ শক্তি, সামৰ্থ আৰু সাহস বৃদ্ধিৰ বাবে সেৱা জনায়।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে পাঁচ শতাধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে। কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফু আৱৰ্ত ভৱনত বিভিন্ন সংগঠনৰ সৈতে জিলা প্ৰশাসনৰ প্ৰতিনিধিয়ে দুৰ্গা পূজা নিয়াৰিকৈ সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰে। ৰাইজৰ যাতায়াতৰ সুচল হোৱাকৈ ঘাইপথ সমূহেৰে প্ৰৱেশ বন্ধ কৰা হ'ব বুলি আৰক্ষীয়ে বৈঠকত জানিবলৈ দিয়ে। জিলাখনত আজি দুৰ্গা পূজা সমিতিসমূহক চৰকাৰৰ আৰ্থিক অনুদানো বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাতো আজি পূজা সমিতিসমূহক চৰকাৰে আগবঢ়োৱা ধনৰাশি চাবুৱাৰ বিধায়ক পোণাকণ বৰুৱাই বিতৰণ কৰে। যোৰহাট জিলাৰ টীয়ক সমজিলাৰ অন্তৰ্গত দুৰ্গা পূজা সমিতিসমূহক ৰাজ্য চৰকাৰে আগবঢ়োৱা অনুদানৰ চেকসমূহ আজি বিতৰণ কৰা হয়।

০০০০০

সমাপ্ত